Under CSR Support by Ipca | Foundation
missiongyan LET'S LEARN TOGETHER

# অধ্যায় - ৭ | : মানুহৰ জীৱন-প্ৰণালীৰ বিকাশ

QUIZ-01

**১. 'হ'ম' চেপিয়েঞ্চ' (Homo sapiens) শব্দটোৱে কাক বুজায়?**
A. আধুনিক জন্তু
B. আধুনিক মানুহ
C. গছপুল
D. শিল যুগৰ জীৱ
**Answer: B**
**Explanation:** 'হ'ম' চেপিয়েঞ্চ' শব্দটোৱে আধুনিক মানুহৰ জাতিক বুজায়।

**২. প্ৰাচীন মানুহে সাধাৰণতে ক'ত আশ্ৰয় লৈছিল?**
A. ইটাৰ ঘৰ
B. গুহা আৰু গছৰ মোলোং
C. জলাশয়ৰ মাজত
D. পৰ্বতৰ ওপৰত
**Answer: B**
**Explanation:** তেওঁলোকে গৰম, বতাহ, বৰষুণ আৰু বন্য জন্তুৰ পৰা ৰক্ষা পাবলৈ গুহা আৰু গছৰ মোলোংত আশ্ৰয় লৈছিল।

**৩. ক'ত প্ৰথম মানুহৰ বসতিৰ প্ৰমাণ পোৱা গৈছে?**
A. ভাৰত
B. ইউৰোপ
C. ইথিঅ'পিয়া
D. আমেৰিকা
**Answer: C**
**Explanation:** ইথিঅ'পিয়া (আফ্ৰিকা মহাদেশত অৱস্থিত) দেশত প্ৰথম মানুহৰ বসতিৰ প্ৰমাণ পোৱা গৈছে।

**৪. 'জাৰোৱা' (Jarawa) নামৰ জনগোষ্ঠীটো কোন ঠাইত বাস কৰে?**
A. মিজোৰাম
B. আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জ
C. গুৱাহাটী
D. কাশ্মীৰ
**Answer: B**
**Explanation:** জাৰোৱা নামৰ জনগোষ্ঠীটো গোট যি আন্দামান আৰু নিকোবৰ দ্বীপ পুঞ্জত বাস কৰে।

**৫. প্ৰাচীন মানুহে আগতে কি খাইছিল?**
A. ভাত আৰু মাছ
B. ৰান্ধা খাদ্য
C. কেঁচা ফল-মূল, গছৰ পাত, বীজ, আৰু পোক
D. গাখীৰ
**Answer: C**
**Explanation:** প্ৰাচীন মানুহে কেঁচা ফল, বীজ, পাত আৰু পোক-পতঙ্গ খাই জীৱন অতিবাহিত কৰিছিল।

**৬. আদিম মানুহে পোহ মনোৱা প্ৰথম জন্তুবিধ কি আছিল ?**
A. গৰু
B. ছাগলী
C. কুকুৰ
D. মেকুৰী
**Answer: C**
**Explanation:** বহু গবেষকৰ মতে, কুকুৰটো মানুহে প্ৰথমে পোহনীয়া ৰূপে পালন কৰিছিল।

**৭. কেনেকৈ মানুহে গছপুল সিঁচিবলৈ শিকা পাইছিল?**
A. অধ্যয়নৰ জৰিয়তে
B. ধৰ্মীয় অনুষ্ঠানৰ জৰিয়তে
C. ফলৰ বীজ পেলোৱাৰ ফলত গছ ওলোৱা দেখা পাই
D. শিক্ষক-শিক্ষয়িত্ৰীৰ সহায়ত
**Answer: C**
**Explanation:** গছৰ বীজ পৰা ঠাইত একেই গছ এইটো ওলোৱা দেখি গছৰ বীজ সিঁচিবলৈ ।

**৮. 'ভীমবেটকা' ক'ত অৱস্থিত?**
A. উত্তৰ প্ৰদেশ
B. মধ্য প্ৰদেশ
C. ৰাজস্থান
D. বিহাৰ
**Answer: B**
**Explanation:** ভীমবেটকা মধ্য প্ৰদেশৰ ৰাইসেন জিলাত অৱস্থিত আৰু UNESCO-ৰ বিশ্ব ঐতিহ্য স্থান হিচাপে ঘোষণা কৰা হৈছে।

**৯. চকা আবিষ্কাৰৰ ফলত কি সুবিধা হ'ল?**
A. খাদ্য উৎপাদন বৃদ্ধি
B. পৰিবহণ সহজ হ'ল
C. নতুন ধৰ্ম গঠন
D. গৃহ নিৰ্মাণ সহজ হ'ল
**Answer: B**
**Explanation:** চকা আবিষ্কাৰৰ ফলত ভাৰবাহী বস্তু সলাই নিয়াৰ সুবিধা বৃদ্ধি পালে।

**১০. আদিম মানুহে আৰম্ভণিতে খাদ্য সাঁচিবলৈ কি ব্যৱহাৰ কৰিছিল?**
A. লোহাৰ পাত্ৰ
B. কাঠৰ পাত্ৰ
C. বাঁহ আৰু গছৰ পাতেৰে তৈয়াৰ কৰা পাত্ৰ
D. শিলৰ পাত্ৰ
**Answer: C**
**Explanation:** তেওঁলোকে বাঁহ আৰু গছৰ পাতেৰে তৈয়াৰী পাত্ৰত মাটিৰে লেপি খাদ্য সাঁচি ৰাখিছিল।

মিশন জ্ঞান
जब चाहें, जहाँ चाहें, जैसे चाहें!
100% FREE!
Video COURSES | QUIZ PDF | TEST SERIES
Download Mission Gyan App
DOWNLOAD MISSION GYAN APP